# কাব্যত অলংকাৰৰ স্থান

কাব্যত অলংকাৰৰ স্থান কি? এই স্থান মুখ্য নে গৌণ? এই প্ৰশ্নৰ সমাধান বিচাৰি আলংকাৰিকসকলৰ আলোচনা-বিলোচনাবিলাক ৰিজাই চালে দুটা মত

পোৱা যায়। এই দুটা মতৰ পাৰ্থক্য ইমূৰ-সিমূৰ। সেই মত দুটা দুযাৰ বাক্যত পিণ্ডিত হৈ আছে বুলি কব পাৰি। প্ৰথম মতটো ভামহৰ "ন কান্তমপি নিৰ্ভূষং ৱিভাতি ৱনিতামুখম্"— যুৱতীৰ ধুনীয়া মুখো প্ৰসাধনহীন হলে শোভা নাপায়। দ্বিতীয় মতটো কালিদাসৰ ভাষাত কব পাৰি— "ইয়ম্ অধিকমনোজ্ঞা ৱল্কলেনাপিতন্বী"— এই শকুন্তলা বাকলিবসন পিন্ধিও অধিক মনোহাৰিণী। প্ৰথম মতৰ তাৎপৰ্য হ'ল বাক্যৰ শব্দাৰ্থৰূপ যি শৰীৰ সি সুন্দৰ হলেও অলংকাৰ নহলে তাৰ শোভা প্ৰকাশ নাপায়। এই মতে অলংকাৰ কাব্যৰ নহলে নোহোৱা প্ৰসাধন সামগ্ৰী। দ্বিতীয় মতে অলংকাৰ এটা উপৰুৱা সামগ্ৰী, অস্থিৰ ধৰ্ম, হলেও হয় নহলেও নাই। কেতিয়াবা শকুন্তলাৰ দৰে নিৰলংকাৰ হৈও কাব্য মনোজ্ঞ হয়। কেতিয়াবা অলংকাৰযুক্ত হৈ কাব্য অধিক হৃদয়গ্ৰাহী হয়। অলংকাৰৰ অপৰিহাৰ্যত্ব স্বীকাৰ কৰা সকলৰ ভিতৰত ভামহ-উদ্ভট দণ্ডী-জয়দেৱ আদি আংলকাৰিকসকলৰ নাম লব পাৰি। অলংকাৰক যিসকলে গৌণ স্থান দিছে তেওঁলোক প্ৰধানকৈ ধ্বনিবাদী আচাৰ্য। অভিনৱ গুপ্ত আনন্দবৰ্ধনকে আৰম্ভ কৰি বিশ্বনাথ কবিৰাজলৈকে সকলোৱেই কাব্যত অলংকাৰ অস্থিৰ ধৰ্ম বা অনিত্য বুলি তাক পূৰ্বমৰ্যাদাৰ আসনৰপৰা নমাই আনিছে। মন্মটে সেই কাৰণে কাব্যৰ লক্ষণ দিওঁতেই 'অনলংকৃতী পুনঃক্কাপি' বুলি অলংকাৰ নহলেও কাব্য হয় এই কথা স্পষ্টভাৱে ঘোষণা কৰিছে।

ভামহাদি আচাৰ্যসকলৰ মতে অলংকাৰ 'বাচ্যোপস্কাৰক'— শব্দ আৰু তাৰ অৰ্থৰ সৌন্দৰ্যৰ হেতু। এওঁলোকৰ মতে বাচ্য-বাচকৰূপ কাব্যশৰীৰ স্বভাৱতে সুন্দৰ হবও পাৰে, নহওব পাৰে; কিন্তু যেতিয়ালৈকে তাত অলংকাৰৰূপ সৌন্দৰ্যৰ আধান কৰা নহয় তেতিয়ালৈকে তাৰ শোভাশালিতা হৃদয়গ্ৰাহী হব নোৱাৰে। বনিতামুখ ধুনীয়া হলেও অলংকাৰ প্ৰসাধনৰদ্বাৰা সজোৱা নহয় মানে আকৰ্ষণীয় নহয়, অলংকৃত মুখমণ্ডলে সহজতে মন টানি নিব পাৰে, হৃদয়ত আহ্লাদ জন্মাব পাৰে। অলংকাৰ বোলা মাত্ৰকতে বুজিব লাগিব যে, অলংকাৰ য'ত পিন্ধোৱা হয়, যাক অলংকৃত কৰা হয়, সেই অলংকাৰ্যও অৱশ্য থাকিব লাগিব। অলংকাৰবাদীসকলৰ মতে কাব্যৰ শৰীৰ শব্দাৰ্থই অলংকাৰ্য। কব খোজা অৰ্থক শোভাশালী কৰি কবলৈ হলে অলংকাৰ লগাই কবই লাগিব, এয়ে তেওঁলোকৰ যুক্তি। ওপৰত দিয়া উদাহৰণ "বক্ষস্থলে মুকুতাৰ হাৰ" এই বাচ্যাৰ্থত কবিয়ে কব খোজা কথাখিনি আমি পালোঁ, কিন্তু এইখিনি কথাৰপৰাই কৃষ্ণৰ বুকুত মুকুতাৰ হাৰৰ প্ৰকৃত সৌন্দৰ্য ফুটি নোলোৱাত "আকাশী গংগাৰ যেন ধাৰ" এই সাদৃশ্যটো লগতে দাঙি ধৰিব লগা হ'ল। ইয়াত 'বক্ষস্থলে মুকুতাৰ হাৰ' এই বাচ্যাৰ্থক উপকৃত কৰিছে; সুশোভিত কৰিছে, উপমা অলংকাৰে। এইদৰে বাচ্য-বাচকৰূপ কাব্য শৰীৰৰ শোভাশালিতা

সম্পাদন কৰা বুলি যদি অলংকাৰক ধৰা হয় তেনেহলে অলংকাৰ অৱশ্য প্ৰয়োজনীয় হৈ পৰে। কিন্তু এনে বহুত কবিতা আছে যিবোৰত বিচাৰিলে কোনো বিশেষ অলংকাৰ পোৱা নাযায় তথাপি তাক কবিতা নোবোলাকৈ থাকিব নোৱাৰি। তাক ভাল কবিতা বুলি ৰসিকজনে আদৰ কৰি আহিছে। এইবিলাক কবিতা প্ৰতীয়মান অৰ্থ বা ৰসভাবাদিৰ পৰিস্ফুৰণ থকা কাৰণেই হৃদয়গ্ৰাহী। অলংকাৰ নাথাকিও চিত্তহাৰী হব পাৰিছে। এনেস্থলত অলংকাৰৰ প্ৰাধান্য কত থাকিল? এই প্ৰশ্নৰ উত্তৰত অলংকাৰসৰ্বস্ববাদীসকলে কব যে, এইবোৰো অলংকাৰ। ৰস ভাব আদি প্ৰতীয়মান অৰ্থ ৰসবৎ, প্ৰেয়ঃ উৰ্জস্বী আদি অলংকাৰৰূপেহে প্ৰকট হয়। এইদৰে বাচ্যাৰ্থক সৌন্দৰ্যশালী কৰা সকলোটি এটা নহয় এটা অলংকাৰৰূপেহে আমি পাওঁ। তেওঁলোকৰ মতে প্ৰতীয়মান ধ্বনি, ৰস এইবোৰো শেষবিচাৰত বাচ্যাৰ্থৰ উপস্কাৰক। আৰু বাচ্যাৰ্থৰ উপস্কাৰক মাত্ৰেই অলংকাৰ। পৰ্যায়োক্ত, অপস্তুত প্ৰশংসা, সমাসোক্তি, আক্ষেপ, ব্যাজস্তুতি, উপমেয়োপমা অনন্বয় আদি অলংকাৰবোৰে লক্ষণাশক্তিৰ আলমত প্ৰতীয়মান অৰ্থৰ সংকেত দিয়ে আৰু সেই বিচাৰত প্ৰতীয়মান অৰ্থ বা ধ্বনিও এই অলংকাৰবিলাকৰ অন্তৰ্গত। বদ্ৰটৰ মতেও ৰূপকাদি অলংকাৰৰ প্ৰতীয়মান যি অৰ্থ তাৰদ্বাৰাহে বাচ্যাৰ্থৰ চাৰুত্ব সম্পাদিত হয়। শৃংগাৰাদি ৰস, লজ্জা-অভিমান আদি ভাব, বস্তুবিশেষৰ ধ্বনি যেতিয়া বাচ্যাৰ্থৰ শোভাৰ কাৰণ তেতিয়া, ৰসবৎ, প্ৰেয়ঃ আদি অলংকাৰৰ পৰ্যায়ত সেইবোৰক স্থান দিব পাৰি। সকলো প্ৰকাৰ প্ৰতীয়মান অৰ্থ (ৰস, অলংকাৰ, বস্তু) বাচ্যাৰ্থৰ শোভাৰ কাৰণ। সেই কাৰণে তাকো অলংকাৰ বোলাই উচিত— এই তৰ্ক তেওঁলোকে কৰে।[৮]

উদ্ভটৰ টীকাকাৰ প্ৰতীহাৰেন্দুৰাজে ধ্বনিবাদী আচাৰ্যৰ প্ৰতীয়মান অৰ্থক অলংকাৰ নুবুলি অলংকাৰ্য বোলাৰ সিদ্ধান্তৰ খণ্ডন কৰি কৈছে যে, প্ৰধান বস্তুও কেতিয়াবা গৌণবস্তুৰ সৌন্দৰ্যৰ হেতু হয়। তেতিয়া প্ৰধান বস্তুৰ সৌন্দৰ্য গৌণবস্তুৰ সৌন্দৰ্যৰ সাধনৰূপে পৰিগণিত হব পাৰে। দৃষ্টান্ত স্বৰূপে তেওঁ কৈছে, "স্বাম্যলংকাৰণকা ভৃত্যাঃ"— গৰাকীৰ যশ-গৌৰৱেই ভৃত্যৰ যশ-গৌৰৱৰ কাৰণ হয়। সেইদৰে কোনো শব্দাৰ্থত যদিও প্ৰতীয়মান অৰ্থ ৰস আদি প্ৰধানৰূপে থাকে তথাপি সেই ৰসৰ মহিমাতে শৰীৰৰূপ বাচ্যাৰ্থও সৌন্দৰ্যান্বিত হয় গতিকে তাক

ৰসবৎ আদি অলংকাৰ নাম দিয়াত বাধা নাই।[৯]

ভট্ট বামন আৰু আন কেইগৰাকীমান আচাৰ্যই অলংকাৰৰ এই সাৰ্বভৌম স্বীকাৰ কৰিবলৈ টান পালে। বুঢ়ী তিৰোতাৰ অলংকাৰ পিন্ধাৰ দৃষ্টান্ত দি (জৰদ্‌যোষিদলংকাৰবৎ) তেওঁলোকে তৰ্ক কৰিলে যে বিগতযৌৱনা তিৰোতা এজনীয়ে কাণে মূৰে অলংকাৰ পিন্ধি আটকধুনীয়া বোলাবলৈ গলে সুৱাগী নহৈ উপহাসৰ পাত্ৰীহে হব। নিজৰ বয়সৰ যি এটা সুকীয়া সৌন্দৰ্য থাকে সিও নষ্ট হ'ব। সেইদৰে বাচ্যাৰ্থৰ যদি নিজা লাৱণ্য নাথাকে তাক অলংকাৰে কি উপকাৰ সাধিব? বাচ্যাৰ্থৰ যদি নিজা লাৱণ্য গুণ থাকে অলংকাৰে তাকেহে দুগুণে চৰাব পাৰে। বামনৰ মতে বাচ্যাৰ্থত ওজঃ আদি গুণ থাকিব লাগিব। এই গুণ কাব্যৰ স্থায়ী ধৰ্ম। এই গুণবিলাক থাকিলে যদি অলংকাৰ লগোৱা হয় তেতিয়াহে সেই অলংকাৰ সাৰ্থক হয়। অলংকাৰ কাব্যৰ শোভাকাৰক নহয়। শোভাবৰ্ধকহে।[১০] অলংকাৰ কাব্যৰ অনিত্যবস্তু। থাকিলে ভাল, নাথাকিলে কাব্য লোপ পাব এনে কথা হব নোৱাৰে, যদি গুণান্বিত হয়।

গুণবাদী আচাৰ্যসকলে অলংকাৰক বাচ্যাৰ্থৰ শোভাবৰ্ধকৰূপে গ্ৰহণ কৰে। তেওঁলোকৰ মতে "কাব্যশব্দোহয়ং গুণালংকাৰসংস্কৃতয়োঃ শব্দাৰ্থ যোৰ্বৰ্ততে"— গুণ আৰু অলংকাৰৰদ্বাৰা সংস্কৃত শব্দাৰ্থই কাব্য। গতিকে তেওঁলোকে অলংকাৰক একেবাৰে গৌণ কৰি দিয়া নাই। মাধুৰ্যাদি গুণবিশিষ্ট ৰচনাত অলংকাৰ সোণত সুৱগা। তথাপি সুৱগা নহলে সোণৰ ৰং নচৰে। অলংকাৰ নহলেও কাব্য অধিক শোভাশালী নহয়। গুণবাদীৰ সিদ্ধান্তত অলংকাৰৰ প্ৰয়োজন গৌণ নহয়, কিন্তু কাব্যৰ প্ৰাণ নহয়।

ধ্বনিবাদী আচাৰ্যসকলে গুণৰ প্ৰাধান্য স্বীকাৰ নকৰে। গুণকো তেওঁলোকে ৰসৰ ধৰ্ম বা অভিব্যক্তিবিশেষ বুলি কয়। শৃংগাৰ ৰসৰ দি দ্ৰুতি অৰ্থাৎ মন গলি যোৱা ভাব, সেয়ে শব্দ আৰু অৰ্থত মাধুৰ্যৰূপে প্ৰকাশ পায়। গতিকে গুণ আৰু ৰসৰ মাজত ধৰ্ম আৰু ধৰ্মীৰ সম্বন্ধ। সম্বন্ধটো অৱশ্যে নিত্য এই কথা তেওঁলোকেও স্বীকাৰ কৰে। অলংকাৰকো সেইকাৰণে তেওঁলোকে গুণসংস্কৃত শব্দাৰ্থ শৰীৰৰ শোভাদায়ক বুলি নকৈ ৰসৰূপ কাব্যাত্মৰ শব্দাৰ্থশৰীৰৰ যোগেদি

৯. "তচ্চেহ প্ৰতিয়মানং প্ৰধানত্বাদলঙ্কাৰ্যতয়া ৱক্তুং যুক্তম। নত্বলঙ্কৃতিকাৰণতয়া। অতঃ কথং তস্যালঙ্কাৰৱ্যপদেশঃ। উচ্যতে প্ৰধানমপি গুণানাং সৌন্দৰ্যহেতুত্বাদলঙ্কৃত্যৌ সাধনত্বং ভজতি। দৃশ্যতে হি লোকে ৱাপদেশেঃ স্বাম্যলঙ্কৰণকা ভৃত্যা ইতি। অতোহত্ৰাপি প্ৰতীয়মানস্য সত্যপি প্ৰধানত্বে ন্বগুণভূতবাচ্যসৌন্দৰ্যসাধক-তমত্বাদলঙ্কাৰ ব্যপদেশো নৱিৰুধ্যতে।"

১০. "কাব্যশোভায়াঃ কৰ্তাৰো ধৰ্মা গুণাঃ তদতিশয়হে তৱস্ত্বলঙ্কাৰাঃ। পূৰ্বেনিত্যাঃ।"

সৌন্দৰ্য বৰ্ধক বুলিহে মানি লয়। তেওঁলোকৰ মতে কাব্যৰ প্ৰধানীভূত ৰসৰূপ আত্মা অলংকাৰৰ পৰমাধাৰ, অলংকাৰ্য। যৌৱন গুণযুক্ত গাভৰু হলেই অলংকাৰ সাৰ্থক নহয়। যুৱতীৰ অচেতন শৱ-শৰীৰত জানো অলংকাৰে কিবা শোভা দিয়ে? অলংকাৰে শৰীৰটোৰ শোভা নকৰে বা শৰীৰৰ গুণ যৌৱনকো ধুনীয়া নকৰে, শৰীৰ বা যৌৱনৰ গৰাকী চেতন ব্যক্তিজনৰহে শৰীৰৰ যোগে সৌন্দৰ্য বঢ়ায়। মানুহজন ব্যক্তিত্ব বা আত্মাহীন হলে সকলো অলংকাৰ বৃথা, কাক অলংকৃত কৰিব?[১১] সেইদৰে কাব্যৰ ব্যক্তিত্বৰূপ ৰসৰহে কাব্যালংকাৰ শোভাহেতু হব পাৰে। ৰসৰূপ কবিতাব্যক্তিৰ অভাৱত সি অচেতন শৰীৰত পিন্ধোৱা অলংকাৰৰ দৰে নিৰৰ্থক। আনন্দবৰ্ধনে ধ্বন্যালোকত সেইদেখি অলংকাৰক ৰসানুগুণ কৰি প্ৰয়োগ কৰাৰ কথা কৈছে। অলংকাৰে প্ৰকৃত অলংকাৰত্ব পাবলৈ হলে ৰস আৰু ভাবৰ অনুকূলে, তাৰ পৰিপোষকৰূপে বিনিবেশিত হ'ব লাগিব। ৰসানুগুণৰ ওপৰতে অলংকাৰৰ সাৰ্থকতা। ৰসসিদ্ধ কবিয়ে ৰসসৃষ্টি কৰোঁতে অলংকাৰ দিওঁ বুলি সুকীয়াকৈ প্ৰযত্ন কৰিব নালাগে, অলংকাৰ 'অপৃথক্‌যত্ননিৰ্বৰ্ত্য'।

মন্মটাচাৰ্যই এই মতকে পোষণ কৰি অলংকাৰৰ লক্ষণ নিৰূপণ এইদৰে কৰিছে ঃ "যেনেকৈ হাৰ আদি আভুষণে কণ্ঠাদি অংগৰ সৌন্দৰ্য বঢ়ায়, সেইদৰে উপমা আদি অলংকাৰে শব্দ আৰু অৰ্থৰূপ কাব্যশৰীৰৰ যোগেদি সেই ৰসৰূপ শৰীৰৰ সৌন্দৰ্য বঢ়ায়।" অলংকাৰৰদ্বাৰা ৱাচ্যবাচকৰূপ কাব্যশৰীৰৰ সৌন্দৰ্যবৃদ্ধি সম্ভব হবলৈ কাব্যৰ ব্যক্তিত্ব বা ৰসৰূপ আত্মতত্ত্ব থাকিব লাগিব। য'ত ৰস নাই তাত অলংকাৰ লগালে সি কেৱল উক্তি বৈচিত্ৰ্য মাত্ৰ হৈ পৰিব।

প্ৰকৃতপক্ষে চিন্তা কৰি চালে ধ্বনিবাদীৰ মতেই যুক্তিসিদ্ধ। এনে বহুত কবিতা আছে য'ত কিবা এটা টানি আজুৰি নেদেখুৱালে প্ৰকৃত অলংকাৰ বুলি কবলৈ একো নাই। তথাপি তেনে কবিতাও মধুৰ মনোগ্ৰাহী বুলি ৰসিকজনে সদায় গ্ৰহণ কৰি আহিছে। উদাহৰণ স্বৰূপে চন্দ্ৰধৰ বৰুৱাৰ 'স্মৃতি' নামৰ কবিতাৰ কেইফাকিমান উদ্ধৃত কৰা যাওক ঃ

"আছে নে মনত সেই প্ৰথমতে কথা কোৱা
ওৰা পাতি লওঁতেই জ্বৰঘামে ঘামি যোৱা।
শুনি বেয়া লগাকৈ;
কম বুলি ভাবি থৈ,
হুটামুটাকৈ সেই কিবা বুলি কিবা কোৱা।

১১. "তথাহি অচেতনং শৱশৰীৰং কুণ্ডলাদ্যুপেতমপি ন ভাতি। অলঙ্কাৰ্যস্যাভাৱাৎ।"
— *ধ্বন্যালোকলোচন*

আছে নে মনত সেই যমুনাত গা ধোৱা,
পানী যুঁৱলিত বহি থাকোতে দুপৰ হোৱা।
বালিত পুখুৰী খানি,
লিৰিকি বিদাৰি পানী।
নভগা নিছিগা সেই মিছামিছি কথা কোৱা।"

ইয়াত অলংকাৰ বুলিবলৈ একো নাই (স্মৰণ অলংকাৰ নহয়) পোনপটীয়া কথাৰে পুৰণি দিনৰ প্ৰণয়লীলাৰ কথা ৰস লগাকৈ কোৱা হৈছে। কেৱল উকা বাচ্যাৰ্থতে ইয়াৰ ৰস ফুটি ওলাইছে। ৰসসিক্ত হোৱাৰ কাৰণে এই কবিতা নিৰলংকাৰ হৈও মনোগ্ৰাহী হৈছে।

আকৌ আনপিনে অলংকাৰৰদ্বাৰা ভাৰাক্ৰান্ত কৰি কাব্যক জঠৰ আৰু নিৰস কৰি পেলোৱাৰ দৃষ্টান্তও বিৰল নহয়। অপ্ৰমাদী কবিয়েও কাব্যক সৰস কৰিবলৈ গৈ কেতিয়াবা নিৰস কৰে। মাধৱ কন্দলীয়ে ৰামৰ বনগমনৰ সময়ত কৌশল্যাৰ শোকৰ বৰ্ণনা দিবলৈ যাওঁতে ৰূপক অলংকাৰৰ যি পোহাৰ মেলিলে তাৰ ফলত আগন্তুক ৰামবিৰহৰ কৰুণতা ক'ৰবাত লুকাই পৰিল। ৰূপকৰ উক্তি বৈচিত্ৰ্যই মানুহৰ মন আনফালেদি লৈ গ'ল ঃ

"ওৰাৰি শ্মশান শাল চিন্তা আম গাণ্ডি
কৈকেয়ীৰ বচনে খোচনি ভৈলা দাণ্ডি।
শোক বহ্নি শ্বাস ধুম বিয়োগ তোমাৰ
নিৰন্তৰে শৰদাহ কৰিবে আমাৰ।।"

কৌশল্যাৰ হৃদয়বেদনা ইয়াত প্ৰকাশ পোৱা নাই। ৰূপক অলংকাৰৰ উদাহৰণ স্বৰূপে দাঙি ধৰিব পাৰি, কিন্তু কাব্যৰ স্বাভাৱিক সৰসতা ইয়াত ক'ত?

সোণৰূপত বাখৰৰ নিজ জেউতিও ওলায়, সোণৰূপৰ জেউতিও চৰে। লোহাত বা সীহত বাখৰ খটালে লোহা আৰু সীহৰ একো জেউতি নাবাঢ়ে উপৰন্তু বাখৰবিলাকো অথলে যায়। ৰসভাবাদিৰ পৰিস্ফুৰণত সৌন্দৰ্যশালী কাব্যশৰীৰ নিৰলংকাৰ হৈও সহৃদয়জনৰ হৃদয়াহ্লাদক হব পাৰে। প্ৰতিভাবান কবিৰ অলংকাৰ প্ৰয়োগ অযত্ন সাধ্য। ৰসসমাহিত কবিৰ মনত অলংকাৰ স্বতঃস্ফূৰ্তভাৱে মই মই মই বুলি উফৰি পৰেহি। 'অলংকাৰ কিছু দিওঁ' বুলি তেওঁ কলম পিহিবৰ দৰ্কাৰ নহয়। সন্ধিয়াৰ জুৰ বতাহ লওঁতে বতাহৰ স্পৰ্শ আৰু শীতলতা এই দুয়োটা জুৰ লোৱা মানুহজনে পৃথকে পৃথকে অনুভৱ নকৰি অখণ্ডভাৱে উপভোগ কৰে। ৰস, ভাব, গুণ আৰু অলংকাৰ সেইদৰে ৰসিক পাঠক বা শ্ৰোতাৰ মনত অখণ্ড

সৌন্দৰ্যৰূপে প্ৰতিভাত হয়। অলংকাৰৰ অৱদান কোনখিনিত তাক সুকীয়াকৈ লৈ কাব্য উপভোগ কৰা নাযায়। কবিৰ প্ৰতিভাই অলংকাৰক সাৰ্থক কৰে।

## অলংকাৰৰ শ্ৰেণীবিভাগ